# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 07-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণনে আজি বিৰোধী দলসমূহকে ধৰি সকলো দলৰ নেতাসকলৰ সৈতে বাৰ্তালাপ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত এছিয়াৰ প্ৰধান দূৰসংযোগ আৰু প্ৰযুক্তি অনুষ্ঠান ইণ্ডিয়া মোবাইল সন্মিলন ২০২৫ উদ্বোধন কৰিব।

৩। পশ্চিমবংগত হোৱা বানত ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে কাম কৰি থকা বিজেপিৰ কৰ্মীসকল তৃণমূল কংগ্ৰেছ কৰ্মীৰ আক্ৰমণৰ বলি হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ কৰিছে।

৪। নিৰ্বাচন আয়োগে অহা ১১ নৱেম্বৰত মিজোৰামৰ ডাম্পা বিধানসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। ***আৰু***

৫। ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ এখন খেলত কালি দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

উপ-ৰাষ্ট্ৰপতি তথা ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণনে আজি বিৰোধী দলসমূহকে ধৰি সকলো দলৰ নেতাসকলৰ সৈতে বাৰ্তালাপ কৰিব। চি পি ৰাধাকৃষ্ণনৰ জনপ্ৰতিনিধিসকলৰ সৈতে এয়া হ'ব উচ্চ সদনৰ সভাপতি হিচাপে প্ৰথমখন আনুষ্ঠানিক বৈঠক। অহা মাহত হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে আজি হ'বলগীয়া এই বৈঠকখনে বিশেষ তাৎপৰ্য বহন কৰিছে। এই বৈঠকতে চি পি ৰাধাকৃষ্ণনে সংসদৰ সমাগত অধিৱেশনৰ সময়ছোৱাত সুকলমে সদন পৰিচালনা কৰাৰ ক্ষেত্ৰত নেতাসকলৰ সৈতে আলোচনা কৰিব। উল্লেখযোগ্য যে চি পি ৰাধাকৃষ্ণনক শাসকীয় এন ডি এ চৰকাৰে উপ-ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছিল আৰু তেওঁ যোৱা ৯ ছেপ্তেম্বৰত দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল। যোৱা ১২ ছেপ্তেম্বৰত তেওঁ উপ-ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। কালি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যসভাৰ সচিবালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ সচিবালয়ৰ বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে সচিবালয়ৰ বিভিন্ন কাম-কাজ সন্দৰ্ভতো পৰ্যালোচনা কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত এছিয়াৰ প্ৰধান দূৰসংযোগ আৰু প্ৰযুক্তি অনুষ্ঠান ইণ্ডিয়া মোবাইল সন্মিলন ২০২৫ উদ্বোধন কৰিব। চাৰিদিনীয়া এই অনুষ্ঠানটো নতুন দিল্লীৰ যশোভূমিত কাইলৈৰ পৰা অহা ১১ অক্টোবৰলৈ অনুষ্ঠিত হ'ব। **পৰিৱৰ্তনৰ বাবে উদ্ভাৱন**ক মূল বিষয়বস্তু হিচাপে লৈ এই সন্মিলনত দূৰসংযোগ আৰু ডিজিটেল প্ৰযুক্তি খণ্ডত স্বনিৰ্ভৰশীলতা গঢ়ি তোলাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ পদক্ষেপক আগুৱাই লৈ যোৱাৰ লক্ষ্য লোৱা হৈছে। সন্মিলনত 6G পৰিস্থিতি তন্ত্ৰ, চাইবাৰ নিৰাপত্তা, উপগ্ৰহীয় যোগাযোগ, কৃত্ৰিম বুদ্ধিমত্তা, দূৰসংযোগ আদি দিশসমূহত আলোকপাত কৰা হ'ব। এই

সন্মিলনৰ প্ৰতি লক্ষ্য ৰাখি কালি কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই দ্বাৰকাৰ যশোভূমিত আয়োজিত ভাৰত মোবাইল সন্মিলন ২০২৫ৰ স্থান পৰিদৰ্শন কৰে। যোগাযোগ মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি এই সন্মিলনত এক লাখ ৫০ হাজাৰ লোকৰ উপস্থিত থাকিব বুলি আশা কৰা হৈছে। তাৰোপৰি ৭ হাজাৰতকৈও অধিক বিশ্বৰ কেইবাখনো দেশৰ প্ৰতিনিধি আৰু ৪০০তকৈও অধিক প্ৰদৰ্শনীত ভাগ ল'বলগীয়া লোকে অংশগ্ৰহণ কৰিব।

০০০০০

পশ্চিমবংগত হোৱা বান আৰু ভূমিস্খলনত ক্ষতিগ্ৰস্ত লোকসকলক সহায়ৰ বাবে কাম কৰি থকা বিজেপিৰ কৰ্মীসকলৰ লগতে কেইবাজনো সাংসদ আৰু বিধায়ক আক্ৰমণৰ বলি হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযোগ কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত শ্ৰীমোদীয়ে তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীসকলৰ এই গৰিহনাযোগ্য কাৰ্য আৰু ৰাজ্যখনৰ পুতৌজনক আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে পশ্চিমবংগৰ চৰকাৰ আৰু তৃণমূল কংগ্ৰেছে এই প্ৰত্যাহ্বানমূলক পৰিস্থিতিত মানুহক সহায় কৰাৰ বিপৰীতে হিংসাত্মক কাৰ্যত লিপ্ত হোৱাতহে ইন্ধন যোগাইছে। শ্ৰীমোদীয়ে বিজেপিৰ সদস্য সকলক কাম কৰি যোৱাৰ লগতে সাহায্য অভিযান নিয়াৰিকৈ চলাই নিয়াৰ বাবে আহ্বান জনাইছে।

০০০০০

বিশ্বত ক্ৰমবৰ্ধমান প্ৰতিযোগিতা আৰু সংহতি হ্ৰাসৰ মাজতেই ভাৰতে কৌশলগতভাৱে আগবাঢ়ি যাব লাগিব। নতুন দিল্লীত কালি জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অধ্যয়ন কেন্দ্ৰত অনুষ্ঠিত হোৱা আৰাৱলী সন্মিলন উদ্বোধন কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড এছ জয়শংকৰে এইদৰে কয়। ব্যতিক্ৰমী ধৰণেৰে দেশৰ উত্থান হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। পাৰমাণৱিক নীতি, আঞ্চলিকতাবাদ, আৰু শাসন ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আন্তঃ ৰাষ্ট্ৰীয় অধ্যয়ন কেন্দ্ৰৰ ৭০ বছৰীয়া জয়ন্তী উপলক্ষে এই সন্মিলন অনুষ্ঠিত হৈছিল।

০০০০০

ভাৰত-নেপাল সীমান্তত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে সৰৱ হোৱাৰ লক্ষ্যৰে নাৰ্কটিক কণ্ট্ৰল ব্যুৰো (এন চি বি) আৰু সশস্ত্ৰ সীমা বলে সমন্বয়েৰে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি নতুন দিল্লীত এনচিবিৰ সঞ্চালক প্ৰধান অনুৰাগ গাৰ্গ আৰু এছএছবিৰ সঞ্চালকপ্ৰধান সঞ্জয় সিংঘালে এই সন্দৰ্ভত আলোচনা কৰে। বৈঠকৰ মূল লক্ষ্য আছিল- চোৰাংচোৱা তথ্য বিনিময়, যৌথ কাৰ্য্যকলাপ, সমৰ্থ বিকাশৰ পদক্ষেপ, চোৰাংচোৱাৰ দৰে ক্ষেত্ৰত এন চি বি আৰু এছ এছ বিৰ সহযোগিতা তথা সমন্বয় শক্তিশালী কৰা। বৈঠকত ৰাষ্ট্ৰীয় নিৰাপত্তা কটকটীয়া কৰাৰ লগতে সৰবৰাহৰ যোগাযোগ বিঘ্নিত কৰি যুৱক-যুৱতীসকলক ড্ৰাগছ সেৱনৰ পৰা দূৰত ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

নিৰ্বাচন আয়োগে অহা ১১ নৱেম্বৰত মিজোৰামৰ ডাম্পা বিধানসভা সমষ্টিৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। অহা ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগে কালি সন্ধিয়া মিজোৰামৰ ডাম্পা সমষ্টিৰ লগতে আৰু আন ৭ খন ৰাজ্যৰ কেইবাটাও সমষ্টিৰ উপ-নিৰ্বাচন তথা বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ দিন ঘোষণা কৰে।

ooooo

সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে আম আদমী পাৰ্টিয়ে ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। বেগুচৰাই সমষ্টিত ড০ মীৰা সিং, বংকিপুৰ সমষ্টিত ড০ পংকজ কুমাৰ, গোবিন্দগঞ্জ সমষ্টিত অশোক কুমাৰ সিং আৰু ফুলৰাৰী সমষ্টিত অৰুণ কুমাৰ ৰজকৰ নাম ঘোষণা কৰা হৈছে। বেনীপট্টি সমষ্টিত শুব্দা যাদৱ, কাছুবা সমষ্টিত ভানু ভাৰতীয়া আৰু কিষাণগঞ্জ সমষ্টিত আশ্ৰফ আলমক প্ৰাৰ্থিত্ব দিয়া হৈছে।

উল্লেখযোগ্য যে অহা ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত বিহাৰৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগে কালি ২৪৩ জনীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰে। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈছে। নতুন দিল্লীত কালি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত কয় যে ৰাজ্যখনৰ ৭ কোটি ৪৩ লাখ ভোটদাতাৰ বাবে ৯০ হাজাৰ ৭১২টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে চলিত মাহৰ ১০ তাৰিখে অধিসূচনা জাৰি কৰা হ'ব। ১৭ অক্টোবৰ হ'ব মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ১৩ অক্টোবৰত অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ২০ অক্টোবৰ হ'ব মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন। ১১ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে লগতে কয় যে প্ৰথম বাৰৰ বাবে প্ৰতিটো সমষ্টিত একোগৰাকীকৈ সাধাৰণ পৰ্যবেক্ষক নিয়োগ কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া পুংখানুপুংখভাৱে নিৰীক্ষণ কৰিবলৈও বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। কোনো ধৰণৰ হিংসাত্মক ঘটনা যাতে সংঘটিত নহয় তাৰ বাবে জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকক দায়িত্ব দিয়া হ'ব। শ্ৰীকুমাৰে কয় যে সমগ্ৰ ৰাজ্যখনতে পৰ্যাপ্ত পৰিমাণে কেন্দ্ৰীয় শসস্ত্ৰ আসক্ষী বাহিনী মোতায়েন কৰা হ'ব। নিচাজাতীয় দ্ৰব্য, নগদ ধন আদিৰ ক্ষেত্ৰতো সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। বিহাৰত মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে এইবাৰ ১৭ টা নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ দ্বাৰা ভোটদানৰ সময়ত ভোটাদাতাসকল বিশেষ অভিজ্ঞতাৰ অধিকাৰী হ'ব।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যখনৰ জনতাক গণতন্ত্ৰৰ বিশেষ উৎসৱৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত এটা পোষ্টযোগে তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰে জংঘলৰাজ যুগৰ পৰা আঁতৰাই বিহাৰক উন্নয়ন আৰু সুশাসনৰ পথত আগবঢ়াই লৈ যাব। ৰাজ্যখন দৰিদ্ৰ লোকৰ কল্যাণ, আন্তঃগাঁথনি, স্বাস্থ্য সেৱা আৰু শিক্ষাকে ধৰি বহু ক্ষেত্ৰত ঐতিহাসিক পৰিৱৰ্তনৰ সাক্ষী হ'ব বুলি শ্ৰীশ্বাহে আলোকপাত কৰে। তেওঁ কয় যে সমাগত নিৰ্বাচনত বিহাৰৰ জনতাই পুনৰ উন্নয়নৰ ৰাজনীতিক সমৰ্থন কৰিব।

ooooo

ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ এখন খেলত কালি দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৬ উইকেটত পৰাস্ত কৰে। নিৰ্ধাৰিত ২৩২ ৰানৰ লক্ষ্য অতিক্ৰম কৰি দক্ষিণ আফ্ৰিকাই ৪ উইকেটৰ বিনিময়ত ৪০ অভাৰ আৰু ৫টা বলত ২৩৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ তাজমিন ব্ৰিটছে ১০১ ৰান আৰু ছুনে লুছে অপৰাজিত ৮৩ ৰান কৰে। তাজমিন ব্ৰিটছক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে টছত জিকি নিউজিলেণ্ডে ৪৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩১ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ছফী ডিভাইনে সৰ্বাধিক ৮৫ ৰাণ আৰু ব্ৰুক হলিডেই ৪৫ ৰাণৰ বৰঙণি যোগায়।

গুৱাহাটী বৰ্ষাপাৰা ষ্টেডিয়ামত আজি প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশ ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। বিশ্বকাপত দুয়োটা দলে ইতিমধ্যে একোখনকৈ মেচত জয়ী হৈছে। ইংলেণ্ডে বৰ্ষাপাৰাত প্ৰথমখন খেলত দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে বাংলাদেশে কলম্বোত অনুষ্ঠিত এখন পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰিছিল। দুয়োটা দলে কালি বৰ্ষাপাৰাত অন্তিম অনুশীলন সম্পন্ন কৰে। বিশ্বকাপত এইবাৰ মুঠ ৮টা দলে অংশগ্ৰহণ কৰিছে। শ্ৰীলংকা আৰু পাকিস্তানক পৰাস্ত কৰি ৪ পইণ্ট অৰ্জনেৰে ভাৰতৰ মহিলাৰ দলটো তালিকাৰ শীৰ্ষত আছে।

ooooo

সমাপ্ত